# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা পূৰ্বৰ নিয়ম অনুসৰি অনুষ্ঠিত কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ২৬খন জিলাৰ প্ৰায় ১৪ লাখ লোক সম্প্ৰতি বানৰ কবলত।
৩। কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ আজিৰেপৰা অসম আৰু মেঘালয় ভ্ৰমণ।
৪। চিকিৎসা বিজ্ঞানৰ স্নাতক শাখাত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ মূল অপৰাধীক গ্ৰেপ্তাৰ।

*আৰু*

৫। বিচিচিআইৰ ভাৰতীয় ক্ৰিকেট দলৰ শ্ৰীলংকা ভ্ৰমণৰ সূচী প্ৰকাশ।

০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত আৰ্হি সলনি সন্দৰ্ভত বিভিন্ন পক্ষই প্ৰতিক্ৰিয়া কৰাত বিষয়টো পুনৰ বিবেচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বিষয়টো পুনৰ বিবেচনা কৰি এই সন্দৰ্ভত শীঘ্ৰেই সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা লোকসেৱা আয়োগৰ আৰ্হিত অনুষ্ঠিত কৰাৰ কথা আছিল যদিও ৰাইজৰ মতামতৰ ভিত্তিত অহা ২-৩ দিনৰ ভিতৰত সমগ্ৰ বিষয় বিবেচনা কৰি চৰকাৰে সিদ্ধান্ত ঘোষণা কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০

সাম্প্ৰতিক বানত ৰাজ্যৰ ২৬খন জিলাৰ প্ৰায় ১৪ লাখ লোক বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা তথ্য অনুসৰি এতিয়াও ৮৩টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫৪৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া বানত ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে। কেন্দ্ৰীয় জল আয়োগে জনোৱা মতে যোৰহাটৰ নিমাটিঘাট, শোণিতপুৰৰ তেজপুৰ আৰু ধুবুৰীত ব্ৰহ্মপুত্ৰ, ডিব্ৰুগড়ৰ চেনীমাৰিত বুঢ়ীদিহিং, শিৱসাগৰৰ নঙলামুৰা ঘাটত দিচাং, কৰিমগঞ্জত কুছিয়াৰা আৰু তিনিচুকীয়া মাৰ্ঘেৰিটাত বুঢ়ীদিহিং নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ আছে।

রাজ্য চৰকাৰে ২৯৯টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ্ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰনে প্ৰকাশ কৰা মতে, নগাঁও জিলাৰ বান পৰিস্থিত জটিল হৈ আছে। জিলাখনত ২০ হাজাৰ ৬১২টি শিশুসহ প্ৰায় ৭৯ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। বাঢ়নী পানীয়ে নগাঁও জিলাৰ ৬টা ৰাজহ চক্ৰৰ অধীনৰ ১৮৪ খন গাঁও আৰু ১৮ হাজাৰ ২৩১ দশমিক ৮ হেক্টৰ কৃষিভূমি বুৰাই পেলাইছে।

এইবেলি বানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১০টা গঁড় সহ ১৭৪টা জীৱ-জন্তুৰ প্ৰাণ হানি হৈছে। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সামগ্ৰিক বান পৰিস্থিত ক্ৰমাৎ উন্নত হৈছে যদিও ৪৬টা বন শিবিৰ আৰু উদ্যানখনৰ ভালেমান অংশ বানত বুৰ গৈ আছে।

ধুবুৰী জিলাৰ বান পৰিস্থিতিয়ে পুনৰ জটিল ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ আৰু গৌৰাং নৈৰ বাঢ়নি পানীয়ে শেহতীয়াকৈ বহু অঞ্চল প্লাবিত কৰিছে। বিলাসীপাৰাৰ হাটিপোটা গাঁও পঞ্চায়তৰ অন্তৰ্গত কেইবাখনো বিদ্যালয় বানৰ কবলত আছে। তদুপৰি চৰ অঞ্চলত পথ যোগাযোগ ব্যাহত হৈছে। জিলাখনৰ প্ৰায় সকলো নৈৰ জলস্তৰ বৃদ্ধি পাবলৈ ধৰাত চৰ অঞ্চলত বানে বিস্তৰ ক্ষতি কৰিছে।

ইফালে, কৰিমগঞ্জ জিলাত আজি বানাক্ৰান্ত লোকে আশ্ৰয় লৈ থকা শিবিৰটো ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বানাক্ৰান্তৰ ক্ষয়-ক্ষতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হ'ব।

আনহাতে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কমিছে যদিও বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ বাবে যোৰহাট নিমাটিঘাটৰ বুল হেড নম্বৰ ৰানত জলসম্পদ বিভাগৰ কৰ্মচাৰীসকলে নৈশ পহৰাৰ ব্যৱস্থা কৰিছে।

০০০০০০০

কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰ অৰ্থাৎ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে অসমলৈ আহিব। মন্ত্ৰীগৰাকীয়ে এই সময়ছোৱাত ড'নাৰ মন্ত্ৰ্যালয়ৰ বিষয়াবৰ্গ, উত্তৰ-পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে NERACE শীৰ্ষক এটা এপ্লিকেচন মুকলি কৰাৰ লগতে উত্তৰ-পূব পৰিষদৰ আৰু অন্য বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰিব।

০০০০০

গোৱালপাৰা জিলাৰ ৰংজুলী থানাৰ অন্তৰ্গত শিমলিতোলাত কালি নাও দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন সন্ধানহীন হৈ আছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে এজন লোকৰ শেষকৃত্য সম্পন্ন কৰি ২০ জন লোক নাৱেৰে ওভতি অহাৰ সময়ত নাওখন পানী বুৰ যায়। ফলত ৫ জন লোক সন্ধানহীন হয়। তিনিজনক উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যোৱা হয়। ইয়াৰে প্ৰসেনজিৎ সাহা, সুজন মালাকৰ আৰু জিৎ কৰ্মকাৰ নামৰ লোক কেইজনক চিকিৎসকে মৃত ঘোষণা কৰে। সন্ধানহীন আন দুজন লোকৰ সন্ধানত এছ্ ডি আৰ এফে অভিযান অব্যাহত ৰাখিছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে কেন্দ্রীয় চৰকাৰক দেশত আত্মহত্যা প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে লোৱা পদক্ষেপসমূহৰ শেহতীয়া স্থিতিৰ বিষয়ে প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত এখন বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক চাৰি দিনৰ ভিতৰত এই প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। ন্যায়ালয়ে শিশু আত্মহত্যাৰ ঘটনা অতি গুৰুতৰ বিষয় বুলি উল্লেখ কৰি কেন্দ্ৰীয় স্বাস্থ্য সঞ্চালকালয়ক এনে ঘটনা প্ৰতিৰোধৰ বাবে বিহিত ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

oooooooo

ৰাজ্য চৰকাৰে **মাতৃ-পিতৃ বন্দনা** কাৰ্যসূচী অনুসৰি চৰকাৰী বিষয়া-কৰ্মচাৰীক পিতৃ-মাতৃ, শাহু-শহুৰৰ সৈতে সময় কটাবলৈ বিশেষ নৈমিত্তিক ছুটী ঘোষণা কৰিছে। এই অনুসৰি চলিত বৰ্ষৰ ৬ আৰু ৮ নৱেম্বৰত এই ছুটী প্ৰদান কৰিব। চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে ৯ আৰু ১০ নৱেম্বৰৰত বন্ধ লাভ কৰিব। অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলে পৰ্যায়ক্ৰমে এই বিশেষ ছুটীৰ সুবিধা লাভ কৰিব। আনহাতে, বিষয়া-কৰ্মচাৰীসকলে পিতৃ-মাতৃ আৰু শাহু-শহুৰৰ সৈতে সময় অতিবাহিত কৰাৰ পৰিৱৰ্তে ব্যক্তিগত অৱসৰ বিনোদন বা আন কোনো সময়ত এই ছুটীৰ সুবিধা লাভ কৰিব নোৱাৰিব বুলি সামাজিক মাধ্যমযোগে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে।

oooooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক শাখাত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ মূল অপৰাধী ৰাকেশ ৰঞ্জন ওৰফে ৰকি নামৰ এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ব্যক্তিজনক ১০ দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ৰকিৰ এই চক্ৰৰ আন এজন মুখ্য ব্যক্তি সঞ্জীৱ মুখীয়াৰ সৈতে যোগসূত্ৰ আছে। সঞ্জীৱ মুখীয়া ২ দশক ধৰি এই কেলেংকাৰীত জড়িত হৈ আছে আৰু পলাতক অৱস্থাত আছে। ৰকিক গ্ৰেপ্তাৰে চি বি আইক তদন্তত সহায় কৰিব। তদন্তকাৰী সংস্থাটোৱে এতিয়ালৈকে ঝাৰখণ্ডৰ হাজাৰীবাগৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু উপ প্ৰধান শিক্ষকসহ ১২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। চি বি আই আৰু বিভিন্ন ৰাজ্যৰ আৰক্ষীয়ে নীটৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ দৰে ঘটনাৰ সৈতে জড়িত এই চক্ৰৰ তদন্ত কৰি আছে। চি বি আইয়ে এই ঘটনা সংক্ৰান্তত বৰ্তমানলৈকে ৬ খন এজাহাৰ ৰুজু কৰিছে।

ooooo

বিজেপিয়ে কৈছে যে ২০১৪ৰ পৰা ২০২৩ চনলৈ বিগত ১০ বছৰত দেশত ১২ কোটি ৫০ লাখ কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত ভাৰত বিশ্বৰ সৰ্বাধিক কৰ্মসংস্থাপন সৃষ্টি কৰা আগশাৰীৰ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ২০০৪ আৰু ২০১৪ৰ মাজৰ সময়ছোৱাত ইউ পি এৰ শাসন কালত মাত্ৰ ২ কোটি ৯০ লাখ কৰ্মসংস্থাপন সৃষ্টি হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত ৰাজনৈতিক ইচ্ছা শক্তিৰ সৈতে এখন সুস্থিৰ চৰকাৰ গঠন হৈছে আৰু ইয়াৰ ফলত কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি পাইছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰিব। অগ্নিপথ আঁচনিক লৈ চলি থকা বিতৰ্কৰ মাজতেই কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছে। সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা

বাহিনী আৰু সশস্ত্ৰ সীমা বলৰ দৰে কেন্দ্ৰীয় বাহিনীসমূহৰ মুৰব্বীসকলে কৈছে যে, প্ৰাক্তন অগ্নিবীৰসকলে বয়সৰ উৰ্ধসীমাৰ ক্ষেত্ৰত ৰেহাই লাভ কৰিব আৰু তেওঁলোকৰ বাবে শাৰিৰীক দক্ষতাৰ পৰীক্ষা নাথাকিব।

০০০০০

গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱা গীল্ডৰ সভাপতি বিৰেন সিংহই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰতিষ্ঠানটোৱে বিশিষ্ট অভিনেতা তথা পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। বিয়লি দৈনিক অসম কাকতৰ সম্পাদক ড০ হিতেশ ডেকাই বন্তি প্ৰজ্বলন কৰাৰ পিছত আৰম্ভ হোৱা মূল কাৰ্যসূচীৰ ভিতৰত মুকলি সভা, চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন, মুখপত্ৰ চিহ্নৰ উন্মোচন আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতে তপন বৰদলৈ সোঁৱৰণি চিত্ৰাংকণ প্ৰতিযোগিতাৰ বঁটাসমূহো প্ৰদান কৰা হয়।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইয়ে ভাৰতীয় ক্ৰিকেট দলৰ শ্ৰীলংকা ভ্ৰমণৰ সূচী প্ৰকাশ কৰিছে। পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ২৬, ২৭ আৰু ২৯ জুলাইত হ'বলগীয়া টি-টুৱেণ্টি খেলেৰে এই ভ্ৰমণ আৰম্ভ হ'ব। ইয়াৰ পাছতে দলটো  ১, ৪ আৰু ৭ আগষ্টত কলম্বোৰ আৰ প্ৰেমাদাসা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ৩ খন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয়  ক্ৰিকেট দলটো ২২ জুলাইত শ্ৰীলংকাৰ উপস্থিত হ'ব। নৱনিযুক্ত মুখ্য প্ৰশিক্ষণ গৌতম গম্ভীৰৰ অধীনত এয়া ভাৰতৰ প্ৰথম শৃংখলা হ'ব। অৱশ্যে এই ভ্ৰমণৰ বাবে ভাৰতীয় দলৰ খেলুৱৈসকলৰ নাম এতিয়াও ঘোষণা কৰা হোৱা নাই।

০০০০০

কোকৰাঝাৰত অহা ৩০ জুলাইৰ পৰা ২৫ আগষ্টলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে বিটিআৰৰ ৫খন জিলাতে ট্ৰফী প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে। এই অভিযানৰ অংশ হিচাপে আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ডুৰাণ্ড কাপ ট্ৰফী ভ্ৰমণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি আজি দুপৰীয়া এখন প্ৰদৰ্শনীমূলক ফুটবল খেল অনুষ্ঠিত হ'ব।

০০০০০০০০০

গুৱাহাটীৰ পানীখাইতিত অনুষ্ঠিত ষষ্ঠ আয়োদানা আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতাৰ কালি তৃতীয় দিনা চতুৰ্থ ৰাউণ্ডৰ অন্তত ৭ গৰাকী খেলুৱৈৰে সম্পূৰ্ণ ৪ পইণ্ট অৰ্জনেৰে যৌথভাৱে শীৰ্ষস্থানত আছে। অন্ধ্ৰপ্ৰদেশৰ শীৰ্ষ বাছনিৰ কোশল, অসমৰ তৃতীয় বাছনি ধ্ৰুপদ কাশ্যপ, চতুৰ্থ বাছনিৰ অভিলেশ সৰকাৰ, অজয় কুমাৰ ৰায়, পুডুচেৰীৰ উমা শংকৰ, পশ্চিমবংগৰ চন্দ উজেইন আৰু আয়ুয দাসে ৪ পইণ্ট লাভ কৰিছে। দবা খেলুৱৈ অভিভাৱক মঞ্চৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখন পৰহিলৈ সামৰণি পৰিব।

০০০০০০০

কুৰি শতিকাৰ পঞ্চম দশকত ঘেঁহুৰ সৈতে আমেৰিকাৰ পৰা ভাৰতলৈ অহা বিষাক্ত পাৰ্থেনিয়ামে চানিছে অসম শীৰ্ষক শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত এটি বাতৰি প্ৰকাশ কৰিছে।

প্ৰাক বাজেট সমীক্ষাত প্ৰধানমন্ত্ৰী ঃ নিয়োগ সৃষ্টি-বিতশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিত গুৰুত্ব মোদীৰ শীৰ্ষক শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এ পি এছ চিৰ আৰ্হি অনুসৰি নহয় পূৰ্বৰ আৰ্হিতেই হ'ব তৃতীয়, চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা শীৰ্ষক শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ প্ৰতিবেদনত উন্মোচিত নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপ ঃ সৰ্বাধিক কৰ্ম-সংস্থাপন হীনতাৰে ভাৰাক্ৰান্ত অসমৰ স্থান ১৩ নম্বৰত সন্দৰ্ভত এটি তথ্যনিৰ্ভৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

২০০5 চনৰ পাছত নিযুক্তি পোৱা সকলেহে নতুন পেঞ্চন নীতিৰ অধীনত লাভ কৰিব অৱসৰকালীন সা-সুবিধা প্ৰসংগত অসমীয়া খবৰ কাকতে এটি বাতৰি প্ৰকাশ কৰিছে।

গুটখাৰ ভয়ংকৰ হাতোৰাত বন্দী অসম শিৰোনামেৰে দৈনিক জনমভূমি কাকতে এটি তথ্য নিৰ্ভৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গোৱালপাৰাত নাও ডুবি পাঁচ যুৱকৰ মৃত্যুৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দ্বিতীয়টো বানৰ পিছত তৃতীয় বানৰ বাবে তৎপৰ থাকিবলৈ সংশ্লিষ্ট বিভাগসমূহলৈ মুখ্যমন্ত্ৰীৰ আহ্বানৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজিৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে ড'নাৰ মন্ত্ৰীৰ অসম ভ্ৰমণৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – নীট কেলেংকাৰী ঃ মূল মাষ্টাৰ মাইণ্ডক পাটনাৰ সমীপত গ্ৰেপ্তাৰ চিবিআইৰ, ৰাজ্যত উপ-নিৰ্বাচনৰ তৎপৰতা, ডিব্ৰুগড়ত দলবদ্ধ প্ৰহাৰত যুৱকৰ মৃত্যু, সত্ৰীয়া সংস্কৃতিৰ সাধক সত্ৰাধিকাৰ ভৱানন্দ গোস্বামীৰ মৃত্যু, ৰাজ্যৰ বজাৰত অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ অভাৱনীয় মূল্য বৃদ্ধি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**